অসম

অসম সাহিত্য সভাৰ সভাপতি পদৰ বাবে পাঁচগৰাকীৰ নাম মনোনীত

সভাপতি পদৰ বাবে পাঁচগৰাকীৰ নাম মনোনীত। কার্যকাল ২০২৭–২৯ বর্ষৰ বাবে। জ্যেষ্ঠ সদস্যসকলৰ বৈঠকত নাম চূড়ান্ত।

প্রকাশ: ৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৯



(Social media)

গুৱাহাটী, ৫ নৱেম্বৰঃ অসম সাহিত্য সভাৰ ২০২৭–২৯ কার্যকালৰ সভাপতি পদৰ বাবে পাঁচগৰাকী বিশিষ্ট ব্যক্তিৰ নাম মনোনীত কৰা হৈছে। সভাৰ মুখ্য কার্যালয়ত জ্যেষ্ঠ সদস্যসকলৰ উপস্থিতিত অনুষ্ঠিত এখন গুৰুত্বপূর্ণ বৈঠকত এই নামকেইটা চূড়ান্ত কৰা হয়।

মনোনীত ব্যক্তিকেইগৰাকী হৈছে ড০ কৰবী ডেকা হাজৰিকা, ড০ অনিল শইকীয়া, প্রহ্লাদ চন্দ্র তাছা, থানেশ্বৰ মালাকাৰ আৰু ড০ জগদীশ পাটগিৰি।

এই পাঁচগৰাকী ব্যক্তিৰ ভিতৰৰ পৰাই নির্বাচিত হ’ব অসম সাহিত্য সভাৰ পৰৱর্তী সভাপতি। অৱশ্যে, সভাপতি নির্বাচনৰ পৰৱর্তী প্রক্রিয়া আৰু চূড়ান্ত নির্বাচনৰ সময়সূচী সন্দর্ভত সভাৰ তৰফৰ পৰা এতিয়ালৈকে সবিশেষ প্রকাশ কৰা হোৱা নাই।

অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ চর্চা, সংৰক্ষণ তথা প্রসাৰত অসম সাহিত্য সভাই গুৰুত্বপূর্ণ ভূমিকা পালন

কৰি আহিছে। ২০২৭–২৯ কার্যকালত এই ঐতিহ্যবাহী অনুষ্ঠানটোৰ নেতৃত্ব কোনে গ্ৰহণ কৰিব, সেয়া এতিয়া লক্ষণীয় হৈ পৰিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/798/five-names-assam-sahitya-sabha-president-panel